যিয়ে কোনো চুক্তিবদ্ধ ব্যক্তিক হত্যা কৰিব, সি জান্নাতৰ ঘ্রাণো নাপাব। অথচ ইয়াৰ ঘ্রাণ চল্লিশ বছৰ দূৰত্বৰ পৰা পোৱা যায়।

আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে কোনো চুক্তিবদ্ধ ব্যক্তিক হত্যা কৰিব, সি জান্নাতৰ ঘ্রাণো নাপাব। অথচ ইয়াৰ ঘ্রাণ চল্লিশ বছৰ দূৰত্বৰ পৰা পোৱা যায়।"
[ছহীহ] [(বুখাৰী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এটা কঠোৰ সতৰ্কবাণী দিছে যে, যিয়ে কোনো চুক্তিবদ্ধ ব্যক্তিক হত্যা কৰিব, সি জান্নাতৰ ঘ্ৰাণো নাপাব, অথচ জান্নাতৰ সুগন্ধি চল্লিশ বছৰ দূৰত্বৰ পৰাও পোৱা যায়। চুক্তিবদ্ধ ব্যক্তিৰ দ্বাৰা সেই অমুছলিম ব্যক্তিক বুজোৱা হৈছে, যিয়ে নিৰাপত্তাৰ চুক্তিৰ অধীনত মুছলিম দেশত বাস কৰে।

http://www.sunnah.global/hadeeth/as/show/64637